জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৬৭/২০২০

## জলসিঞ্চন বিভাগৰ কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে মুখ্যমন্ত্ৰীয়ে বিতৰণ কৰিলে নিযুক্তিপত্ৰ

# আত্মনিৰ্ভৰ ভাৰত অভিযান বাস্তৱায়িত কৰাৰ দিশত ৰাজ্যৰ কৃষক সমাজক আত্মনিয়োগ কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৩০ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ অধীনত ৰাজ্যত ৰূপায়িত হোৱা কেইবাটাও জলসিঞ্চন প্ৰকল্প আজি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। কামৰূপ জিলাৰ আমিনগাঁৱৰ কুমাৰ ভাস্কৰ বৰ্মা ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ জলসিঞ্চন বিভাগে আয়োজন কৰা এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী সোণোৱালে গুৱাহাটীৰ বেতকুছিত নিৰ্মাণ কৰিবলগীয়া বিভাগৰ এটা কেন্দ্ৰীয় গৱেষণাগাৰ, এটা সভাগৃহ আৰু অতিথিশালাৰো আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে জলসিঞ্চন বিভাগৰ নতুনকৈ নিযুক্তিপ্ৰাপ্ত ৩৯৭ গৰাকী ক্ষেত্ৰীয় সহায়কৰ মাজৰে ৬ গৰাকীক আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ প্ৰদান কৰে।

উল্লেখ্য যে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ অধীনত ৰাজ্যৰ ৩৫,৭৯৩ গৰাকী কৃষকৰ মাজত ৯৬৯৯ টা পাম্প বিতৰণ কৰা হ'ব। ৫৩৯.০৫ কোটি টকা ব্যয়ৰে ৰূপায়ণ কৰিবলগীয়া এই যোজনাই ৰাজ্যৰ ৩ লাখ বিঘা কৃষি ভূমি উপকৃত কৰিব।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে দেশৰ কৃষি খণ্ডৰ উৎপাদন বৃদ্ধিৰ জৰিয়তে কৃষক সকলৰ উপাৰ্জন দুগুণলৈ বৃদ্ধি কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰি অহা বিভিন্ন আঁচনি সম্পৰ্কে আলোকপাত কৰে। মুখ্যমন্ত্ৰী সোণোৱালে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা, চয়েল হেলথ্ কাৰ্ড, প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ অধীনত কৃষকসকলক প্ৰদান কৰা ৫ হাজাৰ টকাৰ অনুদান, কে চি চিৰ অধীনত কৃষকলৈ আগবঢ়োৱা ১০ হাজাৰ টকাৰ ৰাজসাহায্য আদিকে ধৰি আন আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিসমূহে কৃষিখণ্ডৰ উৎপাদন দ্ৰুত গতিত বৃদ্ধি কৰাৰ লগতে কৃষকসকলকো নিজৰ উপাৰ্জন বৃদ্ধি কৰিবলৈ সুযোগ দিছে।

মুখ্যমন্ত্ৰী সোণোৱালে কৃষকসকলক কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ উপযুক্ত সুযোগ গ্ৰহণ কৰি আত্মনিৰ্ভৰ ভাৰত অভিযান বাস্তৱায়িত কৰি তোলাৰ দিশত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ অসম চৰকাৰৰ কাৰ্যকালত ৰাজ্যৰ ৪৮ লাখ কৃষক পৰিয়ালক কৃষিখণ্ডৰ উৎপাদন বৃদ্ধিৰ বাবে সহায়-সহযোগিতা আগবঢ়োৱা হৈছে। ২০১৬ চনত চৰকাৰ গঠন কৰাৰ সময়ত অসমবাসীক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰখন বহুলাংশে সফল হৈছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এখন দুৰ্নীতিমুক্ত, বিদেশীমুক্ত,

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

সন্ত্ৰাসবাদ মুক্ত আৰু প্ৰদূষণমুক্ত অসম গঢ়াৰ বাবে ৰাজ্য চৰকাৰে নিষ্ঠাৰে লোৱা পদক্ষেপসমূহে এই দিশত সফলতা কঢ়িয়াই আনিছে।

ৰাজ্যত চিৰস্থায়ী শান্তি প্ৰতিষ্ঠাৰ দিশত অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ইতিমধ্যে বৃহৎ সংখ্যক উগ্ৰপন্থীয়ে হিংসাৰ পথ পৰিহাৰ কৰি মূল সুতিলৈ ওভতি আহিছে। ৰাজ্যিক লোকসেৱা আয়োগৰ সংস্কাৰকে ধৰি নিযুক্তি সংক্ৰান্তীয় পৰীক্ষাসমূহ নিকা আৰু স্বচ্ছতাৰে অনুষ্ঠিত কৰিবলৈ সক্ষম হোৱাৰ ফলত মেধাৰ ভিত্তিত ৰাজ্যৰ যুৱক-যুৱতীসকলে কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিবলৈ আজি সক্ষম হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ গৌৰৱ এশিঙীয়া গঁড়ৰ চোৰাং চিকাৰ ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ ফলত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানকে ধৰি আন উদ্যান আৰু অভয়াৰণ্যসমূহৰ বন্যপ্ৰাণী সমূহ আজি সুৰক্ষিত হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। ৰাজ্যৰ সেউজ আৱৰণ বৃদ্ধি কৰিবলৈ বিগত সময়ছোৱাত ৮.৫০ কোটি গছপুলি অসম চৰকাৰে ৰোপণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ফৰেষ্ট ছাৰ্ভে অৱ ইণ্ডিয়াৰ প্ৰতিবেদনত শেহতীয়াকৈ ৰাজ্যৰ সেউজ আৱৰণ ২২২ বৰ্গ কিঃমিঃ বৃদ্ধি হৈছে বুলি প্ৰকাশ পাইছে।

ৰাজ্যত ঔদ্যোগীকৰণৰ ইতিবাচক পৰিৱেশ গঢ়াৰ বাবে ২০১৮ বৰ্ষত আয়োজন কৰা বিশ্ব বিনিয়োগ সন্মিলনৰ ফলশ্ৰুতিত ৭৯ হাজাৰ কোটিৰ বুজাবুজিৰ চুক্তিপত্ৰ স্বাক্ষৰ হোৱাৰ বিপৰীতে ইতিমধ্যে প্ৰায় ৫০ হাজাৰ কোটিৰ বিনিয়োগ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ ফলত শেহতীয়াকৈ ৰাজ্যত ন ন উদ্যোগ গঢ়ি উঠিছে আৰু কৰ্ম সংস্থাপনৰ সুযোগ মুকলি হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে ভাৰত-বাংলা সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰাৰ বাবে লোৱা পদক্ষেপৰ কথাও ভাষণ প্ৰসংগত উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ইজৰাইলৰ প্ৰযুক্তিৰে ৰূপায়ণ কৰা প্ৰকল্পৰ জৰিয়তে নদী সীমান্তৰ ৪৮ কিঃমিঃ সুৰক্ষিত কৰা হৈছে। বৰ্তমানৰ অসম চৰকাৰে এক্ট ইষ্ট পলিচিৰ উপযুক্ত ব্যৱহাৰেৰে অসমক দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ ৰূপে গঢ়ি তোলাৰ দিশত বহুদূৰ সফলতাৰে আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ ইতিবাচক পৰিস্থিতিৰ সুযোগ লৈ চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ বজাৰ দখল কৰাৰ বাবে ৰাজ্যৰ কৃষকসকলৰ প্ৰতি মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়।

ৰাজ্যৰ থলুৱা জাতি-জনগোষ্ঠীৰ জাটি-মাটি-ভেটিৰ লগতে ভাষা, কৃষ্টি-সংস্কৃতি আৰু ঐতিহ্য সুৰক্ষাৰ বাবে অসম চৰকাৰৰ দায়বদ্ধতাৰ কথা মুখ্যমন্ত্ৰী সোণোৱালে দোহাৰে। বিগত চাৰে চাৰি বছৰে ৰাজ্যবাসীয়ে আগবঢ়াই অহা অকুণ্ঠ সহায়-সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীয়ে অসমবাসীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কয় যে এই সহযোগিতাৰ বাবেই ৰাজ্যত চৰকাৰে গ্ৰহণ কৰা প্ৰকল্পসমূহৰ দ্ৰুত ৰূপায়ণ সম্ভৱ হৈ উঠিছে।

এই অনুষ্ঠানত জলসিঞ্চন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী ভবেশ কলিতা আৰু জলসিঞ্চন বিভাগৰ আয়ুক্ত সচিব ৰাকেশ কুমাৰেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত নলবাৰীৰ বিধয়াক অশোক শৰ্মা, কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিককে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**স্বাক্ষৰ / বীঃগঃ**
**৩০/১২/২০২০**